**নং ঃ ২২৩/২০২১**

# যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## চিকিৎসা মহাবিদ্যালয়সমূহৰ কাম-কাজ অধিক সু-সংহত কৰাৰ দিশত ৰাজ্য চৰকাৰে পৰিকল্পনা কৰি আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজৰ বুজ লয়। পৰিদৰ্শনৰ সময়ত চিকিৎসকসকলৰ সৈতে মত-বিনিময় কৰি ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে চিকিৎসা মহাবিদ্যালয়সমূহৰ কাম-কাজ অধিক সু-সংহত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই সম্পৰ্কত ছেপ্টেম্বৰ মাহত চিকিৎসা মহাবিদ্যালয় কেইখনৰ অধ্যক্ষসকলৰ সৈতে হ'বলগীয়া বৈঠকত চূড়ান্ত পৰিকল্পনা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

জনসাধাৰণক উন্নত চিকিৎসা সেৱা আগবঢ়োৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলক উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। অকৰ্তৃত্বশীলভাৱে কৰ্তব্যত অনুপস্থিত থকা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় চিকিৎসা মহাবিদ্যালয়খনৰ চৌহদত নিৰ্মাণ কৰি থকা কৰ্কট হাস্পতালখন এই বছৰৰ নৱেম্বৰ মাহত সম্পূৰ্ণ হৈ উঠিব। তদুপৰি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ছুপাৰ স্পেচিয়েলিটি হাস্পতাল স্থাপন কৰাৰ উপৰি পেয়িং কেবিনৰ ব্যৱস্থা অচিৰেই আৰম্ভ কৰা হ'ব বুলিও তেওঁ কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, কৃষি মন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰেণুপমা ৰাজখোৱা, ভৱেন্দ্ৰনাথ ভৰালী, ভাস্কৰজ্যোতি বৰুৱা, যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰত্ন তালুকদাৰ উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৯/০৮/২০২১**